# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 04-11-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

**- - - - - - - - - - - - -**

১। ৰাজ্যৰ পাঁচটা সমষ্টিত অহা ১৩ নৱেম্বৰত হʼবলগীয়া উপ-নিৰ্বাচন সুকলমে সম্পন্ন কৰিবলৈ জিলা প্ৰশাসনৰ যাৱতীয় প্ৰস্তুতি অব্যাহত। সমষ্টিয়ে সমষ্টিয়ে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত।

২। ৰাজ্যিক কৰ্মচাৰীসকলৰ তিনি শতাংশ মৰগীয়া বানচ প্ৰদান কৰা সন্দৰ্ভত আনুষ্ঠানিক নিৰ্দেশনা জাৰি।

৩। সমাগত ষট পূজা শান্তিপূৰ্ণভাৱে উদযাপন কৰাৰ লক্ষ্যৰে প্ৰশাসনৰ নীতি-নিৰ্দেশনা প্ৰকাশ।

৪। লোককৃষ্টিৰ বিশিষ্ট গৱেষক, শিক্ষাবিদ, সংগীত শিল্পী বীৰেন্দ্ৰ নাথ দত্তৰ জন্মবাৰ্ষিকী উপলক্ষে ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচী গ্ৰহণ। **আৰু**

৫। অসম ক্ৰিকেট সন্থাৰ ষ্টেডিয়ামত অহা ৬ নৱেম্বৰত তামিলনাডুৰ বিৰুদ্ধে হʼবলগীয়া ৰঞ্জী ট্ৰফীৰ চতুৰ্থখন খেলৰ বাবে অসমৰ খেলুৱৈৰ লগতে সহায়ক ষ্টাফৰ নাম ঘোষণা।

০০০০০

ৰাজ্যৰ পাঁচটা সমষ্টিত অহা ১৩ নৱেম্বৰত হʼবলগীয়া উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। শাসকীয় বিজেপিকে ধৰি অন্যান্য দলসমূহে সমষ্টিয়ে সমষ্টিয়ে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ সভাৰ আয়োজন কৰিছে। মন্ত্ৰী পীযূষ হাজৰিকাই বিহালী সমষ্টিৰ কেইবাটাও অঞ্চলত বিজেপিৰ মনোনীত প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। বিজেপিৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতা, সাংসদ ৰঞ্জীত দত্তকে ধৰি ভালকেইগৰাকী বিজেপি নেতাই এই প্ৰচাৰ সভাত উপস্থিত থাকে।

ইপিনে মন্ত্ৰী ৰণজিত কুমাৰ দাসে বঙাইগাঁও বিধানসভা সমষ্টিৰ দুলাইগাঁও গাঁও পঞ্চায়তত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীৰ হৈ প্ৰচাৰ চলায়। তেওঁ অগপৰ বঙাইগাঁও জিলা কাৰ্যালয়ত এখন বৈঠকত অংশগ্ৰহণ কৰি অহা ৬ নৱেম্বৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সমষ্টিটোত সম্বোধন কৰিবলগীয়া জনসভাৰ প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰে। একেদৰে চামগুৰি বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ এন ডি এ-ৰ মনোনীত বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ হৈ মন্ত্ৰী কেশৱ মহন্ত আৰু অতুল বৰাই প্ৰচাৰ চলায়।

আনহাতে সাংসদ ৰকিবুল হুছেইনে চামগুৰি বিধানসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী তানজিল হুছেইনৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই জনসভাত অংশ লয়। সাংসদ গৌৰৱ গগৈয়ে বিহালী সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী জয়ন্ত বৰাৰ হৈ কেইবাখনো প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। ধলাই সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী ধ্ৰুৱজ্যোতি পুৰকায়স্থৰ হৈ এ আই চি চিৰ সাধাৰণ সম্পাদক জিতেন্দ্ৰ সিং প্ৰচাৰ সভাত অংশ লয়। জিতেন্দ্ৰ সিঙৰ লগতে এ আই চি চিৰ সম্পাদক পৃথ্বীৰাজ সাথে, এ পি চি চিৰ সভাপতি ভূপেন বৰা, বিধায়ক নন্দিতা দাসৰ লগতে ভালেসংখ্যক দলীয় নেতা-কৰ্মীয়ে নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। হাইলাকান্দিত ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী প্ৰচাৰ সন্দৰ্ভত আমাৰ সংবাদদাতা নিলোৎপল দেৱে এইদৰে কয় -

**-ভইচ কাষ্ট-**

আনহাতে বঙাইগাঁও সমষ্টিৰ পুৰণি বঙাইগাঁও, মাজগাঁও, চাপৰাকটা আৰু দাংতলত কংগ্ৰেছ দলৰ নেতা-কৰ্মীসকলে নিৰ্বাচনী কাৰ্যালয় মুকলি কৰি দলটোৰ প্ৰাৰ্থী ব্ৰজেনজিৎ সিংহৰ হৈ প্ৰচাৰ চলায়। সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই দলীয় নেতা-কৰ্মীসকলৰ সৈতে বৈঠকত মিলিত হৈ নিৰ্বাচনী ৰণকৌশল প্ৰস্তুত কৰে। সমষ্টিটোত ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী প্ৰচাৰ সন্দৰ্ভত আমাৰ সংবাদদাতা তেজছ কুমাৰ ত্ৰিপাঠীয়ে এইদৰে কয়-

**-ভইচ কাষ্ট-**

ইপিনে চামগুৰি বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনত ৮৫ বয়সৰ ঊৰ্ধৰ ভোটাৰ আৰু বিশেষভাৱে সক্ষম ভোটাৰসকলৰ বাবে জিলা নিৰ্বাচনী বিভাগে নিজ গৃহতে ভোটগ্ৰহণ সাব্যস্ত কৰাৰ প্ৰক্ৰিয়া আজি আৰম্ভ কৰিছে। সমষ্টিটোৰ এনে ভোটাৰসকলৰ ঘৰে ঘৰে গৈ নিৰ্বাচনী বিষয়াসকলে প'ষ্টেল বেলেটৰ যোগেদি ৪ৰ পৰা ৬ নৱেম্বৰৰ ভিতৰত ভোট সংগ্ৰহ কৰিব।

০০০০০

ৰাজ্য চৰকাৰৰ কৰ্মচাৰী সকলক ৩ শতাংশ মৰগীয়া বানচ প্ৰদান সন্দৰ্ভত আজি আনুষ্ঠানিক নিৰ্দেশনা জাৰি কৰা হৈছে। ৰাজ্য চৰকাৰৰ সচিবে আজি এই সন্দৰ্ভত নিৰ্দেশনা জাৰি কৰে। উল্লেখযোগ্য যে যোৱা ২৭ অক্টোবৰত অনুষ্ঠিত ৰাজ্যিক কেবিনেটৰ বৈঠকত ৰাজ্য চৰকাৰৰ অধীনৰ কৰ্মচাৰীসকলৰ মৰগীয়া বানচ ৩ শতাংশ বৃদ্ধিৰ প্ৰস্তাৱত অনুমোদন জনোৱা হৈছিল। এই সিদ্ধান্ত চলিত বছৰৰ ১ জুলাইৰ পৰা প্ৰযোজ্য হ'ব। অৱশ্যে কৰ্মচাৰীসকলে পহিলা ডিচেম্বৰৰ পৰা বৰ্ধিত হাৰত মৰগীয়া বানচ লাভ কৰিব আৰু বাকী ৪ মাহৰ বাবে কৰ্মচাৰীসকলক ৪ টা কিস্তিত বকেয়া প্ৰদান কৰা হ'ব। ৰাজ্য চৰকাৰে এই বৃদ্ধিৰ বাবে বছৰি অতিৰিক্ত ৮ কোটি ৫০ লাখ টকা ব্যয় কৰিব।

০০০০০

সমাগত ষট পূজা শান্তিপূৰ্ণভাৱে উদযাপন কৰাৰ লক্ষ্যৰে গুৱাহাটী আৰক্ষী আয়ুক্তৰ উদ্যোগত আজি জিলা পুথিভঁৰালত এখন বিশেষ সভা অনুষ্ঠিত হয়। সভাত আৰক্ষী আয়ুক্ত দিগন্ত বৰাই পূজাৰ সময়ত পালন কৰিবলগীয়া নীতি-নিৰ্দেশনা সন্দৰ্ভত অৱগত কৰে। পূজাৰ সময়ত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰা লাচিত ঘাটলৈ বাহন চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। টিআৰপি ৰোডত বাণিজ্যিক বাহন পাৰ্কিঙতো নিষেধাজ্ঞা জাৰি কৰা হৈছে। নিশা ৮ বজাৰ পৰা ১০ বজালৈহে ফটকা ফুটুৱাত অনুমতি প্ৰদান কৰা হৈছে। চুণচালি ঘাটতো বিশেষ সুৰক্ষামূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব। নৈৰ ঘাটত পূজাৰ সময়ত অঘটন নহ'বলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষী আয়ুক্তগৰাকীয়ে নিৰ্দেশ জাৰি কৰিছে। আৰক্ষীৰ উপৰি পূজা সমিতিয়ে নিজাববীয়াকৈ স্বেচ্ছাসেৱক নিয়োগ কৰিব লাগিব বুলি কোৱা হৈছে। আনহাতে ভিৰ নিয়ন্ত্ৰণ কৰিবলৈ পৃথক পৃথক প্ৰৱেশ আৰু প্ৰস্থানৰ ব্যৱস্থা থাকিব লাগিব। পুৱা আৰু সন্ধিয়াৰ সময়ত ৰাইজৰ আহ-যাহ কৰাত যাতে কোনো সমস্যাৰ সৃষ্টি নহয় তাৰ বাবে সমিতিসমূহক স্থানীয় আৰক্ষীৰ সহায় ল'বলৈ আহ্বান জনোৱা হৈছে। সাংস্কৃতিক অনুষ্ঠান বা সমদলৰ নামত অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নকৰিবলৈ আৰক্ষী আয়ুক্তগৰাকীয়ে আহ্বান জনাইছে।

**-বাইট-**

০০০০০

সমাগত ষট পূজা শান্তিপূৰ্ণভাৱে আৰু নিৰাপদে উদযাপনৰ প্ৰস্তুতি পৰ্যালোচনা কৰিবলৈ আজি ডিফু আৰ্ৰ্ত ভৱনত এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত জিলাখনৰ আয়ুক্তৰ লগতে ডিফু, মাঞ্জা, বকলীয়াঘাট আৰু হাওৱাঘাটৰ ষট পূজা সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে। আয়ুক্তগৰাকীয়ে পূজা উদযাপন কৰিবলগীয়া স্থানসমূহ মেৰামতি কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। তদুপৰি পূজাথলীসমূহত চি চি টি ভি সংস্থাপনৰ লগতে অন্যান্য সতৰ্কতামূলক ব্যৱস্থাসমূহ গ্ৰহণ কৰিবলৈ কোৱা হৈছে।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰত কাইলৈ বহু প্ৰত্যাশিত ৰাষ্ট্ৰপতি নিৰ্বাচন অনুষ্ঠিত হ'ব। ৰিপাব্লিকান প্ৰাৰ্থী তথা দেশখনৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প আৰু ডেম'ক্ৰেটিক প্ৰাৰ্থী তথা বৰ্তমানৰ উপ-ৰাষ্ট্ৰপতি কমলা হেৰিছৰ মাজত তুমুল প্ৰতিদ্বন্দ্বিতাৰে যুক্তৰাষ্ট্ৰৰ ৪৭ সংখ্যক ৰাষ্ট্ৰপতিৰ বাবে এই নিৰ্বাচন অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে আমেৰিকা যুক্তৰাষ্ট্ৰত কেইবাটাও টাইম জ'ন থকাৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় সময় অনুসাৰে বিয়লি চাৰে ৫ বজাৰ পৰা চাৰে ৭ বজাৰ ভিতৰত ভোটগ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ হৈ বুধবাৰে পুৱা চাৰে ৫ বজাৰ পৰা চাৰে ৯ বজাৰ ভিতৰত এই প্ৰক্ৰিয়াৰ অন্ত পৰিব।

ooooo

লোককৃষ্টিৰ বিশিষ্ট গৱেষক, শিক্ষাবিদ, সংগীত শিল্পী বীৰেন্দ্ৰ নাথ দত্তৰ আজি জন্ম বাৰ্ষিকী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত তেওঁৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰা হয়। এই উপলক্ষে বিভিন্ন অঞ্চলত তেওঁৰ স্মৃতিত বক্তৃতানুষ্ঠান, সংগীতানুষ্ঠান আদিৰ আয়োজন কৰা হয়। ৰাজ্যৰ কেইবাখনো মহাবিদ্যালয়ত অধ্যাপনা কৰাৰ লগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতি গৱেষণা বিভাগত অধ্যাপনা কৰা প্ৰয়াত দত্তই বিশ্ববিদ্যালয়খনৰ কলাগুৰু আসনত কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত অৱসৰ গ্ৰহণ কৰে। অৱসৰৰ পাছত তেওঁ তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ আমন্ত্ৰণমৰ্মে এই বিশ্ববিদ্যালয়খনৰ পৰম্পৰাগত সংস্কৃতি আৰু কলাৰীতি বিভাগৰ দায়িত্ব গ্ৰহণ কৰে। সাহিত্য ক্ষেত্ৰলৈও বিশেষ অৱদান আগবঢ়োৱা দত্তৰ অসমীয়া সংগীতৰ ঐতিহ্য নামৰ গ্ৰন্থখন অসম সাহিত্য সভাই ১৯৭৭ চনত প্ৰকাশ কৰে। সংস্কৃতি আৰু পৰিৱেশ্য কলা সন্দৰ্ভত কেইবাখনো গ্ৰন্থ অনুবাদ কৰা এই লেখকগৰাকীয়ে গোৱালপৰীয়া লোকগীতৰ সংগ্ৰহকে ধৰি কমেও ২৩ খন গ্ৰন্থ অসমীয়া আৰু ইংৰাজী ভাষাত ৰচনা আৰু সম্পাদনা কৰিছে। তেওঁ প্ৰণয়ন কৰা Cultural Contours of North-East India নামৰ গ্ৰন্থখন অক্সফোৰ্ড ইউনিভাৰ্ছিটী প্ৰেছে প্ৰকাশ কৰিছিল। সংগীতৰ ক্ষেত্ৰত বিশেষ পাৰদৰ্শিতাৰে অগণন শ্ৰোতাক গীতেৰে মুগ্ধ কৰা শিল্পীগৰাকীয়ে সংগীত নেতা একাডেমীৰ ঠাকুৰ ৰত্ন সন্মান লাভ কৰিছিল। আকাশবাণীত বাণীবদ্ধ আৰু প্ৰচাৰিত তেওঁৰ ভালেসংখ্যক গীতে আজিও শ্ৰোতাৰ হৃদয় জুৰি আছে। সাহিত্য আৰু শিক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে ২০০৯ চনত পদ্মশ্ৰী বঁটাৰে সন্মানিত সাহিতিক্যগৰাকীয়ে ২০০৩ চনত অসম সাহিত্য সভাৰ উত্তৰ লখিমপুৰ আৰু ২০০৪ চনত হোজাই অধিৱেশনত সভাপতিত্ব কৰিছিল।

ooooo

ৰাজ্য চৰকাৰে হাতত লোৱা ভাষা গৌৰৱ সপ্তাহৰ সৈতে সংগতি ৰাখি গুৱাহাটী বিশ্ববিদ্যালয়ত দুদিনীয়াকৈ বিশেষ কাৰ্যসূচী অনুষ্ঠিত হৈছে। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ননীগোপাল মহন্তই ভাষা গৌৰৱ সপ্তাহৰ কাৰ্যসূচীৰ উদ্বোধন কৰে। উদ্বোধনী ভাষণত চৰ্যাপদৰ পৰা নব্য ভাৰতীয় আৰ্য ভাষালৈ অসমীয়া ভাষাৰ দীঘলীয়া পৰিক্ৰমা সন্দৰ্ভত তেওঁ বিৱৰণ দাঙি ধৰে। ভাষণ প্ৰসংগত তেওঁ অসমীয়া ভাষাৰ চৰ্চা, গৱেষণা ক্ষেত্ৰত অনবদ্য অৱদান আগবঢ়াই থৈ যোৱা ভাষাবিদ পণ্ডিতসকলক স্মৰণ কৰে। অনুষ্ঠানত অসমীয়া ভাষাক

ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদানৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰা চাৰিগৰাকী বিশিষ্ট ব্যক্তি ক্ৰমে অসম প্ৰকাশন পৰিষদৰ সচিব তথা খচৰা সমিতিৰ সদস্য সচিব প্ৰমোদ কলিতা, ভাস্কৰজ্যোতি শৰ্মা, বৰভাগ কলেজৰ অধ্যাপিকা নমিতা ডেকা আৰু বড়ো ভাষাৰ সাহিত্যিক নন্দেশ্বৰ দৈমাৰীক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ লগতে অনুষ্ঠানৰ সৈতে সংগতি ৰাখি চাৰিটা বিশেষ বক্তৃতা কাৰ্যসূচী অনুষ্ঠিত হয়। ভাষা গৌৰৱ সপ্তাহৰ সৈতে সংগতি ৰাখি কাইলৈ কেইবাটাও গুৰুত্বপূৰ্ণ বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০

বিশ্ববৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ ত্ৰয়োদশ মৃত্যুবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত কাইলৈ জালুকবাৰীত থকা শিল্পীগৰাকীৰ সমাধিস্থলীত পুৱা চাৰে ৯ বজাৰ পৰা স্মৃতিচাৰণ সভা তথা সৰ্বধৰ্ম প্ৰাৰ্থনা অনুষ্ঠান আৰু চাৰে ১১ বজাৰপৰা সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হ'ব। একেদৰে ড০ ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসে মহানগৰীৰ চচলত সৰ্বধৰ্ম প্ৰাৰ্থনা সভাৰ আয়োজন কৰিছে।

আনহাতে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উদ্যোগত ড০ ভূপেন হাজৰিকাৰ মৃত্যুবাৰ্ষিকী উপলক্ষে এখন আলোচনাচক্ৰৰ আয়োজন কৰা হৈছে।

০০০০০

আয়ুৰ্বেদিক চিকিৎসা সংস্থাৰ উদ্যোগত আৰু বিশ্ব আয়ুৰ্বেদ পৰিষদ, অসম শাখা আৰু চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয়, গুৱাহাটীৰ সহযোগত অহা ৯ আৰু ১০ নৱেম্বৰত জালুকবাৰীৰ চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয়ত এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। আজি গুৱাহাটী প্ৰেছক্লাবত আয়োজিত এখন সংবাদমেলত আয়োজক সমিতিয়ে জনোৱা অনুসৰি আয়ুৰ্বেদৰ শেহতীয়া অগ্ৰগতি শীৰ্ষক বিষয়বস্তুৰে হ'বলগীয়া আলোচনাচক্ৰখনত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত খ্যাতিসম্পন্ন কেইবাগৰাকীও আয়ুৰ্বেদিক চিকিৎসক আৰু বিজ্ঞানীয়ে অংশগ্ৰহণ কৰিব। দেশৰ ১৯ খন ৰাজ্যৰ প্ৰায় চাৰি শতাধিক অংশগ্ৰহণকাৰীয়ে কৰ্মশালাত যোগদান কৰিবলৈ নাম পঞ্জীয়ন কৰা বুলি আয়োজক সমিতিয়ে প্ৰকাশ কৰে। আলোচনাচক্ৰখন সাফল্যমণ্ডিত কৰিবলৈ ইতিমধ্যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক মুখ্য পৃষ্ঠপোষক হিচাপে লৈ এখন উচ্চ পৰ্যায়ৰ সমিতি গঠন কৰা বুলিও তেওঁলোকে জানিবলৈ দিয়ে।

০০০০০

মৰিগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাক চহৰখনৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ে 'সমাজ বন্ধু' উপাধিৰে বিভূষিত কৰিছে। ভাৰতীয় প্ৰশাসনীয় সেৱাৰ বিষয়াগৰাকীয়ে সমাজৰ বিভিন্ন স্তৰৰ লোকৰ লগতে কৰ্কট ৰোগীসকলৰ প্ৰতি আগবঢ়োৱা নিস্বাৰ্থ সেৱাৰ স্বীকৃতি স্বৰূপে তেওঁক এই উপাধি প্ৰদান কৰা হয়। আজি বিদ্যালয়খনত আয়োজিত অনুষ্ঠানত আয়ুক্তগৰাকীক মানপত্ৰ, স্মাৰক, শৰাই, অংগবস্ত্ৰ আদিৰে সম্বৰ্ধনা জনোৱা হয়।

০০০০০

অসম ক্ৰিকেট সন্থাই অহা ৬ নৱেম্বৰৰ পৰা স্থানীয় এ চি এ ষ্টেডিয়ামত তামিলনাডুৰ বিৰুদ্ধে হ'বলগীয়া ৰঞ্জী ট্ৰফীৰ চতুৰ্থখন খেলৰ বাবে অসমৰ খেলুৱৈৰ লগতে সহায়ক ষ্টাফৰ নাম প্ৰকাশ কৰিছে। ডেভিড দাসক অধিনায়ক আৰু মুক্তাৰ হুছেইনক উপ-অধিনায়কৰ দায়িত্ব দিয়া হৈছে। দলটোত দৰ্শন ৰাজবংশী, মৃন্ময় দত্ত, ভাৰ্গৱ দত্ত, ৰাহুল সিং, স্বৰূপম পুৰকায়স্থ, পাৰভেজ মুছাৰফ, সুমিত ঘাদিগাওকাৰ, ৰুহীনন্দন পেগু, ঋষভ দাস, শুভম মণ্ডল, শিৱশংকৰ ৰয়, ৰোহিত সিং আৰু জিতু আলীক অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০

নিৰ্বাচন আয়োগে কেৰালা, পাঞ্জাব আৰু উত্তৰ প্ৰদেশৰ ১৪ টা বিধানসভা সমষ্টিৰ বাবে হ'বলগীয়া উপ নিৰ্বাচনৰ দিন সলনি হোৱাৰ কথা ঘোষণা কৰিছে। সেই অনুসৰি এতিয়া এই সমষ্টিকেইটাৰ বাবে ১৩ নৱেম্বৰৰ সলনি ২০ নৱেম্বৰত ভোটগ্ৰহণ কৰা হ'ব। এই ১৪ টা সমষ্টি হৈছে কেৰালাৰ পালাক্কাড় পাঞ্জাবৰ দেৰা বাবা নানক, চাবেবৱাল, গিদ্দেৰবাহা, বাৰ্নালা আৰু উত্তৰ প্ৰদেশৰ মীৰাপুৰ, কুন্দাৰ্কি, গাজিয়াবাদ, খাইৰ, কাৰহাল, চিশ্বামাও, ফুলপুৰ, কাটেহাৰী আৰু মাজহাৱান। এই সমষ্টিসমূহৰ ভোটগণনাৰ দিনৰ কোনো সালসলনি কৰা হোৱা নাই আৰু পূৰ্বৰ দৰে ২৩ নৱেম্বৰতে ভোটগণনা কৰা হব। বিজেপি, কংগ্ৰেছ, বি এছ পিৰ লগতে বিভিন্ন ৰাজনৈতিক দল আৰু কেতবোৰ সামাজিক সংস্থাৰ পৰা লাভ কৰা আবেদনৰ প্ৰতি লক্ষ্য ৰাখি আয়োগে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। এই ৰাজনৈতিক তথা সংস্থাসমূহে অহা ১৩ নৱেম্বৰত কেইবাটাও সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় কাৰ্যসূচী থকাৰ বাবে ভোটগ্ৰহণৰ দিন সলনি কৰিবলৈ দাবী জনাইছিল।

ooooo

সমাপ্ত